# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**মঙ্গলবাৰ, ২৯ ডিচেম্বৰ, ২০২০**

**বিত্ত, ৰূপান্তৰ আৰু উন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, শিক্ষা, (উচ্চ আৰু মাধ্যমিক, প্ৰাথমিক) গড়কাপ্তানি, কৃষি, উদ্যান বিদ্যা আৰু খাদ্য প্ৰস্তুতকৰণ, পশুপালন ও পশুচিকিৎসা, নগৰ আৰু গ্ৰাম্য পৰিকল্পনা, শক্তি (স্বতন্ত্ৰ দায়িত্ব),নগৰ উন্নয়ন, (নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বাদ দি)(স্বতন্ত্ৰ দায়িত্ব) ।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **গুৱাহাটী পৌৰ নিগম ।**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

*২১। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীত নিতৌ কিমান জাবৰ সৃষ্টি হয় আৰু সেই আৱৰ্জনা সমূহ ক'ত পেলোৱা হয়, জনাব ।

(খ) বৰাগাঁৱত গুৱাহাটীৰ জাবৰ পেলোৱাৰ বাবে দ্বীপৰ বিললৈ ভাবুকি অহাৰ বিষয়ে বিভাগটো অৱগতনে ? যদি অৱগত, এই বিষয়ে কি ব্যৱস্থা লোৱা হৈছে ?

(গ) বৰাগাঁৱৰ dumping ground ৰ স্থানান্তৰ কৰাৰ বাবে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে কি কি নিৰ্দেশ দিছিল, কেতিয়া দিছিল, কিমান সময় দিছিল তাৰ প্ৰতিলিপি সহ বিতং ভাৱে জনাব । এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে ?

Not Related to the Department

(ঘ) বৰাগাঁৱত জাবৰ পেলোৱাৰ পূৰ্বে গুৱাহাটীৰ ক'ত ক'ত জাবৰ সমূহ পেলোৱা হৈছিল ? ২০০১ চনৰ পৰা বৰ্তমানলৈ তাৰ বিতং তথ্য (নিতৌ কিমান জাবৰ সৃষ্টি হয় সেই তথ্য সহ) জনাব ।

(ঙ) গুৱাহাটীত সৃষ্টি হোৱা জাবৰ বিজ্ঞান সন্মতভাৱে সংগ্ৰহ আৰু নিষ্কাশণ কৰা হয়নে ? জাবৰৰ পৰা সাৰ, বিদ্যুৎ আদি উৎপন্ন কৰাৰ আঁচনি লোৱা হৈছিল নেকি ? বিতং ভাৱে জনাব ।

(চ) গুৱাহাটীৰ জাবৰ নিষ্কাশণ সম্পৰ্কীয় অধ্যয়নৰ বাবে এই পৰ্যন্ত বিষয়াক চৰকাৰী খৰচত ৰাজ্যৰ বাহিৰলৈ পঠোৱা হৈছে নেকি ?

(ছ) যদি হৈছে, এই সংক্ৰান্তত কিমান টকা খৰচ হৈছে ? বিতংকৈ জনাব ।

*বিষয় ঃ* **NHM.**

শ্ৰীমামুন ইমদাদুল হক চৌধুৰী ঃ

*২২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) NHMৰ অধীনত অসমত মুঠ কিমান কৰ্মচাৰী আছে ? তাৰে কিমান স্থায়ী আৰু কিমান অস্থায়ী ?

(খ) অস্থায়ী কৰ্মচাৰী সকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? যদি কৰিছে জনাব ।

*বিষয় ঃ* **চাহ জনজাতি আসনত এম. বি. বি. এছ. আৰু বি. ডি. এছৰ নাম ভৰ্তি কৰণত অনিয়ম ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*২৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ জনজাতি সংৰক্ষিত আসনত এম. বি. বি. এছ. আৰু বি. ডি. এছৰ নাম ভৰ্তিত অনিয়ম হোৱাটো সঁচানে ? চাহ জনজাতি সংৰক্ষিত

তালিকাত অ-চাহ জনজাতি প্ৰাৰ্থীয়ে ভুৱা জাতিগত প্ৰমাণ পত্ৰ দাখিল কৰি কেনেকৈ নামভৰ্ত্তি কৰিবলৈ পালে জনাবনে ?

(খ) যি সকল ভুৱা প্ৰমাণপত্ৰ দাখিল কৰা প্ৰাৰ্থীয়ে ক'ত, কেনেকৈ ভুৱা জাতিগত প্ৰমাণ পত্ৰ জালিয়াতি কৰি ভয়ংকৰ কেলেংকাৰী কৰিলে, ইয়াৰ উচিত তদন্ত হ'বনে ? দোষীয়ে শাস্তি পাবনে ?

(গ) চাহ জনজাতি আসন সংৰক্ষিত হোৱাৰ পৰা বৰ্তমানলৈকে কিমান চাহ জনজাতিৰ প্ৰাৰ্থী এম. বি. বি. এছ আৰু বি. ডি. এছ. হ'ল ? প্ৰাৰ্থীৰ নাম-ঠিকনা সহ সদনৰ মজিয়াত দাখিল কৰিব ।

*বিষয় ঃ* **সপ্তম বেতন আয়োগের সুপারিশ ও অৱসরপ্রাপ্তদের পেনশন ।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*২৪। মাননীয় অর্থ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) সপ্তম বেতন আয়োগের সুপারিশ রাজ্য সরকারের কর্মচারীদের জন্য কোন দিন থেকে কার্যকরী হয়েছে ? এই বেতন আয়োগের সুপারিশ কবে থেকে কার্যকরী হওয়ার জন্য কেন্দ্রীয় বেতন আয়োগের সুপারিশে বলা রয়েছে ?

(খ) প্রথম থেকে ষষ্ঠ বেতন আয়োগের সুপারিশ রাজ্য সরকারের কর্মচারীদের জন্য কোন দিন থেকে কার্যকরী হয়েছিল ? বিস্তারিত সদনে জানালে বাধিত থাকব ।

(গ) বিগত দিনের সকল বেতন আয়োগের সুপারিশ/বেতন বৃদ্ধির কার্যকারীতা ১ লা জানুৱারী থেকে যে ছিল, এবং এবারের সেই তারিখ রাজ্য সরকার পিছিয়ে ১লা এপ্রিলে নিয়ে গেল-এর কারণ কী ? তা সদনে জানালে বাধিত থাকব ।

(ঘ) যদি সপ্তম বেতন আয়োগের সুপারিশ রাজ্য সরকারের কর্মচারীদের জন্য ১লা এপ্রিল ২০১৬ থেকে কার্যকরী হয় তবে যে সকল রাজ্য সরকারের কর্মচারীর ১ জানুৱারী ২০১৬ থেকে ৩১ মার্চ ২০১৬ এর মধ্যে অৱসর গ্রহণ করেছেন তারা এই বেতন আয়োগের সুবিধা থেকে বঞ্চিত হয়েছেন যে সেটা সম্পর্কে সরকারের অভিমত কি ? এই সকল অৱসরপ্রাপ্ত কর্মচারীদের সপ্তম বেতন আয়োগের সুবিধা প্রদানের জন্য রাজ্য সরকার বিশেষ কোনো পরিকল্পনা করছেন কি ? বিস্তারিত সদনে জানাবেন ।

*বিষয় ঃ* **চলন্তাপাৰা ৰাজ্যিক পশুচিকিৎসালয় নিৰ্মাণ আৰু ডাক্তৰৰ কোৱাৰ্টাৰ ।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*২৫। মাননীয় পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ অন্তৰ্গত চলন্তাপাৰা ৰাজ্যিক পশুচিকিৎসালয়, ডাক্তৰৰ কোৱাৰ্টাৰ, ক্ষেত্ৰ সহায়ক আৰু চকিদাৰৰ আৱাস গৃহ জৰাজীৰ্ণৰ কথাটো বিভাগৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, উক্ত ৰাজ্যিক পশুচিকিৎসালয় আৰু কোৱাৰ্টাৰ সমূহৰ নিৰ্মাণৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ? (সদনত বিতং ভাৱে জনাব)

(গ) উক্ত চিকিৎসালয় আৰু ডাক্তৰৰ কোৱাৰ্টাৰ নিৰ্মাণৰ বাবে অৰ্থ মঞ্জুৰী দিয়াৰ কথাটো সঁচানে ? যদি সঁচা, কামটো কিয় আৰম্ভ হোৱা নাই ? নিৰ্মাণৰ কামটো কেতিয়া আৰম্ভ কৰা হ'ব ?

*বিষয় ঃ* **পথ নিৰ্মাণ ।**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

*২৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) SH-46 পথ নিৰ্মাণ কামৰ A, B, C, D এই চাৰিটা গ্ৰুপৰ কাম কোন কোন ঠিকাদাৰৰ নামত আৱণ্টন দিয়া হৈছে ? এওঁলোকক Work Order কেতিয়া দিয়া হৈছিল আৰু Contractual Agreement মতে কাম শেষ হোৱাৰ সময়সীমা কেতিয়া ? উক্ত চাৰিওটা গ্ৰুপৰ কামৰ DPR, Plan & Estimate, কামৰ অগ্ৰগতি আৰু বিত্তীয় অৱস্থা কি তথ্যসহ জনাব ।

(খ) ওপৰত উল্লেখ কৰা "C" গ্ৰুপৰ কাম কিয় কৰা হোৱা নাই ? এই "C" গ্ৰুপৰ প্ৰায় ১০.৪৬ কিঃমিঃ অসম্পূৰ্ণ কামখিনি Special SOPD আঁচনিৰ অধীনত নাইবা অন্য কোনো আঁচনিৰ অধীনত আনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(গ) SH-12A পথৰ শোলমাৰীৰ পৰা গোৱালপাৰা ASTC Point লৈ কামখিনি কোন ঠিকাদাৰৰ নামত আৱণ্টন দিয়া হৈছে ? বৰ্তমানে এই কামটো কৰি থকা হৈছেনে আৰু কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব তথ্য সহকাৰে জনাব।

(ঘ) NH-37 ৰ কৃষ্ণাই নদীৰ ওপৰত থকা দলংখন কি কাৰণত আৰু কিমান দিনৰ পৰা বন্ধ হৈ আছে ? উক্ত দলংখন মেৰামতিৰ বাবে চৰকাৰে কিবা আঁচনি হাতত লৈছেনে ? যদি লৈছে, কামখিনি কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব ? আৰু যদি কোনো আঁচনি লোৱা নাই, কিয় ? তথ্য সহকাৰে জনাব।

*Sub :* **Additional Science Stream in West Goalpara College, Ambari.**

**Shri Abdur Rashid Mandal :**

*27. Will the Minister of Education be pleased to state :

(a) Whether the Govt is aware about the assurance of the Hon'ble Minister, Education to induct additional Science Stream in West Goalpara College, Ambari in Goalpara West LAC ?

(b)If yes, what steps are taken ? Please furnish in details.

*বিষয় ঃ* **পথ নিৰ্মাণ সম্পৰ্কীয়।**

শ্ৰীঅতুল বৰা ঃ

*২৮। মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

দিছপুৰ সমষ্টিৰ দিছপুৰ আৰু পূব গুৱাহাটীৰ গাহৰি চ'ক সংলগ্ন হৰিপুৰৰ লক্ষীমন্দিৰৰ পৰা ৰামমন্দিৰলৈ শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ নামেৰে নামাকৰণ কৰা পথটো নিৰ্মাণৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? বিতংকৈ জনাব।

*বিষয় ঃ* **ছিগনেছাৰ প্ৰজেক্ট।**

শ্ৰীআমিনুল ইছলাম ঃ

*২৯। মাননীয় ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰণ প্ৰকল্প (Signature Project)ৰ জৰিয়তে অসমৰ কোন কোন সমষ্টিত কি কি কাম কৰা হ'ল আৰু কি কি নতুন আঁচনি গ্ৰহণ কৰা হৈছে ? (আৱণ্টিত ধনৰ পৰিমাণ সহ তথ্য দিব)

(খ) বিগত তিনিটা বিত্তীয় বছৰত কোন কোন সমষ্টিত আনটাইড ফাণ্ডৰ জৰিয়তে কিমান টকাৰ কাম কৰা হ'ল আৰু কিমান টকাৰ আঁচনি অনুমোদিত হৈছে ? (আঁচনিৰ তালিকা দিব)

(গ) থিং সমষ্টিৰ পৰা ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত আনটাইড ফাণ্ডৰ অধীনত কি কি আঁচনিৰ প্ৰস্তাৱ পোৱা গৈছে আৰু আঁচনি সমূহ কেতিয়া অনুমোদন কৰা হ'ব ?

*বিষয় ঃ* **দীনদয়াল উপাধ্যায় গ্ৰামীন বৈদ্যুতিক যোজনা ও সৌভাগ্য যোজনা।**

শ্ৰীসুজাম উদ্দিন লস্কর ঃ

*৩০। মাননীয় শক্তি বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) দীনদয়াল উপাধ্যায় গ্ৰামীন বৈদ্যুতিক যোজনা ও সৌভাগ্য যোজনা দুইটি প্ৰকল্পের আওতায় হাইলাকান্দি জেলায় কতটি নতুন DTR বসানো হয়েছে ? এবং কতটি গ্ৰাম ও Habitation এ বৈদ্যুতিকরণের কাজ সম্পূৰ্ণ হয়েছে তার বিস্তারিত তালিকা প্ৰদান করা যাবে কি ?

(খ) তন মধ্যে LA-7 Katlicherra সমষ্টিতে কতটি নতুন DTR স্থাপন করা হয়েছে ? এবং কতটি Village ও Habitation এ বৈদ্যুতিকরণের কাজ সম্পূৰ্ণ হয়েছে তার বিস্তারিত তালিকা প্ৰদান করা যাবে কি ?

(গ) LA-7 Katlicherra সমষ্টির বিভিন্ন Village ও Habitation এ উপরোক্ত দুইটি প্ৰকল্পের আওতায় অসংখ্য অৰ্ধসমাপ্ত কাজের বিষয়ে সরকার অবগত আছে কি ? যদি থাকে তবে কবে নাগাদ তাহা সম্পূৰ্ণ করা হইবে ?

(ঘ) LA-7 কাটলিছরা সমষ্টিতে এখনও পৰ্যন্ত কতটি Village ও Habitation এ বৈদ্যুতিকরণের কাজ বাকী আছে তার তালিকা প্ৰদান করা যাবে কি এবং বাকী থাকা Village ও

Habitation এ বৈদ্যুতিকরণের কাজ সম্পূর্ণ করা হবে কি ?

(ঙ) উপরোক্ত দুইটি প্রকল্পের হাইলাকান্দি জেলায় বরাত প্রাপ্ত কোম্পানি যথাক্রমে Win Power India Ltd.ও Gopi Kisan কে অদ্যাবদি কত টাকা (Bill) প্রদান করা হয়েছে এবং কত টাকা বাকী আছে তার বিস্তারিত তথ্য প্রদান করা যাবে কি ?

*বিষয় ঃ* **জৰাজীৰ্ণ দলং ও পথ ।**

মোঃ নুৰুল হুদা ঃ

*৩১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভা ২০-০২-১৮ তাৰিখৰ অধিবেশনত সদস্য কালৰ সময়ত ৰূপহীহাট সমষ্টিৰ জৰাজীৰ্ণ দলং আৰু ৰাস্তাসমূহৰ নিৰ্মাণ ও মেৰামতিৰ বাবে বিধান সভাৰ সদস্য ভূৱন পেগুৰ নেতৃত্বত গঠন কৰা কমিটিয়ে চৰকাৰক দাখিল কৰা প্ৰতিবেদনৰ ওপৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তথ্য সহকাৰে জনাব ।

(খ) যোৱা চেপ্তেম্বৰ মাহত বিধানসভা অধিবেশনত ৰূপহীহাট সমষ্টিৰ "সোণাই চাইদৰীয়া" ৰাস্তা উন্নয়নৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ৰ আশ্বাস মৰ্মে প্ৰাক্কলন প্ৰস্তুত কৰি বিভাগলৈ পঠোৱা হৈছিল । উক্ত ৰাস্তা নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছেনে ? যদি হোৱা নাই, কিমান দিনৰ ভিতৰত জৰাজীৰ্ণ পথটো নিৰ্মাণ হ'ব ?

*Sub :* **Veterinary Dispensaries.**

**Hafiz Bashir Ahmed** :

*32. Will the Minister of Animal Husbandry & Veterinary be pleased to state :

(a) How many Dispensaries and Hospitals are there in 26 No. Bilasipara West LAC for taking care of Animal Husbandry ? Are Doctors and Staff available as per Govt. norms ?

(b) Are the Building Structures of the Hospitals/Sub-Centres adequates or not ?

(c) If not, will the Govt. take adequate measures to construct the same for the greater public interest ?

*বিষয় ঃ* **ৰাস্তা-ঘাট নিৰ্মাণ সম্পৰ্কে ।**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

*৩৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ জলেশ্বৰ বিধানসভা সমষ্টিত যোৱা ইং ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষত কিমান কিঃমিঃ ৰাস্তা পকীকৰণ আৰু মেৰামতি কৰা হ'ল ? তাৰ তথ্য বৰ্ষভিত্তিত সদনত দাখিল কৰিব ।

(খ) ওপৰত উল্লেখ কৰা বৰ্ষ অনুযায়ী উক্ত সমষ্টিত কি কি আঁচনিৰ দ্বাৰা পকী দলং নিৰ্মাণ কৰা হৈছে ? সদনত বিতং তথ্য দিব ।

(গ) ওপৰত উল্লেখিত সমষ্টিত ইং ২০২০-২১ বৰ্ষত SOPD(G) ৰ অধীনত নতুনকৈ নিৰ্মাণ হ'বলগীয়া কিমানটা ৰাস্তা আৰু মেৰামতিৰ বাবে কিমানটা ৰাস্তা লগতে কিমান টকা ধাৰ্য্য কৰি মঞ্জুৰি দিয়া হৈছে, তথ্য সদনত দাখিল কৰিব ।

*Sub :* **Regularisation of college teachers working against non-sanctioned post.**

**Shri Sherman Ali Ahmed :**

*34. Will the Minister of Education be pleased to state :

(a) In view of cabinet memorandum dtd. 25/03/2004, how many college teachers are regularized so far ? Please furnish detailed list along with date of appointment and date of regularization.

(b) How many of them were appointed prior to 17/07/2004 and how many were appointed after 17/07/2004 ? Please furnish separate lists.

(c) How many of them acquired requisite qualification at the time of regularization and how many acquired after regularization ? Please furnish separate lists.

(d) How many of the college teachers appointed before 12/10/2004 are yet to be regularized ? How many of them were appoined prior to 17/07/2004 and how many were appointed after 17/07/2004 ? Please furnish separate lists.

(e) When the remaining teachers appointed before 12/10/2004 shall be regularized ?

(f) In view of reply to unstarred Q No. 81(c) Dtd. 01/09/2020, what is the present status of introduction of science-stream in Mandia Anchalik College and upgradation of Mandia Girls' High School ?

*বিষয় ঃ* **ৰাস্তা আৰু উৰণীয়া সেতু নিৰ্মাণ সম্পৰ্কত ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

*৩৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰৰ পৰা কইনাধৰালৈ যোৱা পথটো কিমান চনত আৰম্ভ কৰা হৈছিল আৰু বৰ্তমান উক্ত পথটো কি অৱস্থাত আছে ?

(খ) উক্ত পথটো ২০২০-২১ চনৰ বিত্তীয় বৰ্ষত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(গ) গুৱাহাটীৰ চেৰাপভাটি চকত ফ্লাই-অভাৰ (উৰণীয়া সেতু) এখনৰ বিশেষ প্ৰয়োজন । ব্যস্ত-বহুল উক্ত অঞ্চলত এখন ফ্লাই-অভাৰ (উৰণীয়া সেতু) নিৰ্মাণৰ কথা চিন্তা কৰিবনে ?

*বিষয় ঃ* **উপভোক্তাৰ সংখ্যা ।**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

*৩৬। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শক্তি বিভাগত অসমত মুঠ কিমান উপভোক্তা আছে ? উপ-সংমণ্ডল হিচাপে জনাব ।

(খ) সৰুক্ষেত্ৰী সমষ্টিত কিমান উপভোক্তা আছে ? উপ-সংমণ্ডল হিচাপে জনাব ।

(গ) সৰুক্ষেত্ৰী সমষ্টিত কিমান ট্ৰেন্সফৰ্মাৰ আছে জনাব । গাঁও হিচাপে জনাব ।

(ঘ) সৰুক্ষেত্ৰী সমষ্টিত কিমান ট্ৰেন্সফৰ্মাৰ কাৰ্য্যক্ষম আৰু কিমান বিকল হৈ আছে ? গাঁও হিচাপে বিতং ভাৱে জনাব ।

(ঙ) ২০১৬ চনৰ পৰা বৰ্তমানলৈকে বিধায়ক কোটাৰ বাবে কিমান ট্ৰেন্সফৰ্মাৰ যোগান দিয়া হৈছে ? বৰ্ষ হিচাপে বিতংকৈ জনাব ।

(চ) সৰুক্ষেত্ৰী সমষ্টিত অকামিলা হৈ থকা ট্ৰেন্সফৰ্মাৰবোৰ কেতিয়া কাৰ্য্যক্ষম হ'ব ? জনাব ।

*Sub :* **Proposal of Creation of Hatsingimari & Mankachar Municipal Boards.**

**Dr. Motiur Rohman Mondal :**

*37. Will the Minister of Town & Country Planning be pleased to state :

(a) Is the Govt. aware that Hatsingimari and Mankachar Township are yet to be declared as Municipal Boards under South Salmara Mankachar District ?

(b) Will the Govt. take necessary steps and declare Hatsingimari and Mankachar as towns and create Municipal Boards for proper planning and developments of these two townships ?

(c) How soon can this declaration be expected ?

*Sub :* **Road Development under Assam Mala.**

**Smt. Nandita Das :**

*38. Will the Minister of PWD be pleased to state :

(a) Is it true that, the Govt. of

Assam introduced a programme named "Assam Mala" with an intention to develop the important roads?

(b) If yes, what steps have been taken to develop the following roads which are now very dilapidated, but very important under Boko LAC.

(i) 33 kms length-Sukuniapara-Hekra-Nagarbera Road.

(ii) 32 kms length-Boko-Upper Lumpi road via Kompatoli.

(iii) Conversion of 43 kms length Boko-Chamaria- Sontoli-Nagarbera road into double lane.

(iv) Improvement/Major Repairing of 11.00 kms length road from Nichalamari to Chamaria via Malibari-Dekachang.

(v) Construction of RCC Bridge over Jaljali River which connects Nagarbera with Bhukhradia and other villages.

(vi) Improvement of Roads from Boko to Hekra via Bamunbori-00 km.

*বিষয় ঃ* **পথ নিৰ্মাণ সম্পৰ্কে ।**

শ্ৰীৰফিকুল ইছলাম ঃ

*৩৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ পৰা লেংটিছিঙালৈ যোৱা ৰাজ্যিক ঘাই পথছোৱাৰ ক্ষুদ্ৰ কুছি আৰু বৰতাৰীৰ এটা অংশ অসম্পূৰ্ণ হৈ আছে, এই বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) যদি জ্ঞাত, তৎকালীন ভাবে পুঁজি আৱন্টন দি পথছোৱা সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কেতিয়া কৰিব ? সদনত জনাব ।

(গ) পথছোৱাৰ কাষৰ বহু মানুহে এতিয়াও অধিগৃহীত ভূমিৰ ক্ষতিপূৰণ পোৱা নাই । তৎকালীন ভাৱে ভূমিৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা ল'বনে ? সদনক জনাব ।

*বিষয় ঃ* **PMGSY Package No AS 13-169(KK Road to Megna Pt.-I)**

শ্ৰীআজিজ আহমেদ খান ঃ

*৪০। মাননীয় গড়কাপ্তানি বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) দক্ষিণ করিমগঞ্জ বিধান সভা সমষ্টির KK Road to Megna Pt.-I তৈরী করার জন্য বিভাগিয় কর্তিপক্ষ যে, অর্থ বরাদ্ধ করেছেন তা সরকারের জানা আছে কি ?

(খ) যদি জানা থাকে তবে KK Road to Megna Pt.-I এর কাজের বর্তমান অবস্থান কি ?

(গ) KK Road to Megna Pt.-I নির্মাণের জন্য বিভাগিয় কর্তিপক্ষ কত টাকা বরাদ্ধ করেছেন ?

(ঘ) বরাদ্ধ কৃত অর্থের কত টাকা তুলা হইয়াছে ? এবং কত টাকা এখন পর্যন্ত কাজ হয়েছে ?

(ঙ) KK Road to Megna Pt.-I বিগত তিন বছরের মধ্যে কাজ কতটুক হইয়াছে ? এবং কতটুক কাজ অসমাপ্ত রয়েছে ? তথ্য সহ সদনে জানানোর জন্য অনোরুদ করা হ'ল ?

AGP (Mini) 105/20-L.A.Q.-750-18-12-20